

# "দিব্যাঙ্গ" (*Differently Abled*) ছাত্র-ছাত্ৰীৰ বাবে জলপানি

**অসম চৰকাৰৰ মাধ্যমিক শিক্ষা (Secondary Education)-ৰ অন্তৰ্গত "*Scholarship To The Differently Abled Student*" অৰ্থাৎ দিব্যাঙ্গ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে থকা জলপানি আঁচনিৰ অধীনত আবেদন বিচৰা হৈছে। অসম চৰকাৰৰ অধীনৰ প্ৰাদেশীকৃত আৰু চৰকাৰী বিদ্যালয়ত অধ্যায়ন কৰি থকা নৱম আৰু দশম শ্ৰেণীৰ বাবে বছৰি ৪,৮০০/- টকাকৈ আৰু একাদশ আৰু দ্বাদশ শ্ৰেণীৰ বাবে ৬,০০০/- টকাকৈ জলপানি আগবঢ়োৱা হ'ব।**

## আবেদনৰ নিয়মাৱলীঃ

- বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকল ২০২১-২২ বৰ্ষত নৱম, দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীত অধ্যয়ন কৰি থকা হ'ব লাগিব।
- ছাত্ৰ-ছাত্ৰী অসম চৰকাৰৰ অধীনৰ চৰকাৰী আৰু প্ৰাদেশীকৃত বিদ্যালয়ত অধ্যয়ন কৰি থকা হ'ব লাগিব।

## আবেদনৰ বাবে প্ৰ-পত্ৰঃ

- আবেদনৰ বাবে প্ৰ-পত্ৰ **"বিদ্যাৰ্থী" (Bidyarthi)** mobile app-ৰ লগতে মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ ৱেবচাইট www.madhyamik.assam.gov.in দ্বাৰাও উপলব্ধ হ'ব।

## আৱশ্যকীয় নথি-পত্ৰঃ

- প্ৰ-পত্ৰৰ লগত ছাত্ৰ-ছাত্ৰীৰ নিজৰ নামত থকা Savings Bank Account-ৰ প্ৰথম পৃষ্ঠাৰ স্পষ্ট ফটোকপি গাঠি দিব লাগিব।
- নিৰ্দিষ্ট বিভাগৰ পৰা লাভ কৰা বিশেষভাৱে সক্ষমৰ প্ৰমাণ পত্ৰ(Physical Disability Certificate)ৰ ফটোকপি গাঠি দিব লাগিব।
- ছাত্ৰ-ছাত্ৰীৰ বৰ্তমানৰ একপি সম্পূৰ্ণ ফটো প্ৰ-পত্ৰৰ নিৰ্দিষ্ট ঠাইত লগাব লাগিব।

## আবেদনকাৰীৰ কৰণীয় আৰু অন্তিম তাৰিখঃ

- ছাত্ৰ-ছাত্ৰীয়ে প্ৰ-পত্ৰ বিদ্যালয়ত জমা দিয়া **অন্তিম তাৰিখ ১০ ডিচেম্বৰ, ২০২১**।
- বিদ্যালয় কৰ্তৃপক্ষই এই প্ৰ-পত্ৰ পৰীক্ষা কৰাৰ পিছত বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত ১৭ ডিচেম্বৰ, ২০২১ তাৰিখৰ ভিতৰত জমা দিব লাগিব।
- বিদ্যালয়সমহৰ পৰিদৰ্শকে সকলো প্ৰ-পত্ৰ পৰীক্ষা কৰি ২৪ ডিচেম্বৰ, ২০২১-ৰ ভিতৰত মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ "পৰীক্ষা আৰু প্ৰশিক্ষণ" শাখাত (ET Branch) পোৱাকৈ অত্যাৱশ্যকীয় নথি-পত্ৰৰ সৈতে পঠিয়াব লাগিব।
- শুদ্ধ আৰু যথোচিত আবেদনকাৰীয়ে অহা মাৰ্চ, ২০২২-ৰ ভিতৰত জলপানিৰ ধন নিৰ্দিষ্ট Bank Account-ৰ জৰিয়তে লাভ কৰিব।


***Office Address:***
*Examination & Training (E T) Branch*
*Directorate of Secondary Education Assam*
*Kahilipara, Guwahati – 781019*
*Website – www.madhyamik.assam.gov.in*
*E-mail: scholarships.assam@gmail.com*
*Ph. 9435-77-67-67 (Exam & Scholarship inquiry only)*


QR Code to download
Bidyarthi
mobile app

সঞ্চালক,
মাধ্যমিক শিক্ষা সঞ্চালকালয়, অসম
কাহিলিপাৰা, গুৱাহাটী - ৭৮১০১৯